**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে।

২। কেন্দ্ৰীয় চৰকাৰে জনজাতি অঞ্চলসমূহত স্বাস্থ্যসেৱাৰ সুবিধা উন্নত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে।

৩। ভাৰতে বাংলাদেশত প্ৰতিবাদকাৰীয়ে বংগবন্ধু শ্বেখ মজিবুৰ ৰহমানৰ বাসগৃহ ধ্বংস কৰা ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। ¯

৪। কাইলৈ হ'বলগীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

আৰু

৫। চেন্নাই অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত আজি দুটা ভাৰতীয় যুটি ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছে। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ সাংসদ ধৰমবীৰ গান্ধীয়ে দেশে সন্মুখীন হোৱা কৃষি প্ৰত্যাহ্বানসমূহ উত্থাপন কৰাত কেন্দ্ৰীয় বাজেট নিষ্ফল হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে কৃষকৰ আত্মহননৰ বিষয়টো সদনত উত্থাপন কৰে। শ্ৰী গান্ধীয়ে কয় যে চৰকাৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডক গুৰুত্ব দিয়া নাই আৰু বাজেটতো এই বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাই। দেশত দিনে দিনে গুণগত শিক্ষা অধিক ব্যয়বহুল হৈ পৰিছে বুলি উল্লেখ কৰি শ্ৰী গান্ধীয়ে কয় যে দৰিদ্ৰ আৰু পিচপৰা শ্ৰেণীৰ বাবে এতিয়া গুণগত শিক্ষা সুলভ নহয়। তেওঁ লগতে দেশত কৰ্কট ৰোগ নিৰাময়ৰ ক্ষেত্ৰতো চিকিৎসা ব্যৱস্থা অধিক উন্নত কৰাৰ প্ৰয়োজন বুলি দাবী কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ সাংসদ ৰাও ৰাজেন্দ্ৰ সিঙে কেন্দ্ৰীয় বাজেটৰ প্ৰশংসা কৰি কয় যে বাজেটত দৰিদ্ৰ শ্ৰেণী, কৃষক আৰু মহিলাসকলক অগ্ৰাধিকাৰ দিয়া হৈছে। তেওঁ লগতে কয় যে চৰকাৰে কৃষকসকলৰ উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰিছে আৰু এই ক্ষেত্ৰত ভালেমান ব্যৱস্থাও গ্ৰহণ কৰিছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে জনজাতি অঞ্চলসমূহত স্বাস্থ্যসেৱাৰ সুবিধা উন্নত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। লোকসভাত এটা প্ৰশ্নৰ উত্তৰ দি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কয় যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত চৰকাৰৰ পূৰ্ণ সমৰ্থনত কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিগৰাকী নাগৰিকে, বিশেষকৈ জনজাতীয় অঞ্চলসমূহত বসবাস কৰা লোকসকলে যাতে উৎকৃষ্ট চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে আন এটা প্ৰশ্নৰ উত্তৰত কয় যে বিগত ৩০ বছৰত বিশ্বত

প্ৰসুতিৰ মৃত্যুৰ হাৰ ৪২ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে ভাৰতত তুলনামূলকভাৱে এই হাৰ ৮৩ শতাংশলৈ হ্ৰাস পাইছে।

০০০০

লোকসভাত আজি ভালেমান বিৰোধী সাংসদে শ্ৰী লংকাৰ কৰ্তৃপক্ষই তামিলনাডুৰ মাছমৰীয়াসকলক কৰায়ত্ত কৰি ৰখাৰ বিষয়টোক লৈ প্ৰতিবাদ সাব্যস্ত কৰে। ডি এম কেৰ সাংসদ দয়ানিধী মৰাণ, কানিমুঝী আৰু এ ৰাজা, কংগ্ৰেছ সাংসদ হিবিয়াডেন, আৰ জে ডিৰ সাংসদ মনোজ ঝা, চি পি আই এমৰ পি সন্তোস আদিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কানিমুঝীয়ে কয় যে প্ৰায় ৯৭ গৰাকী মাছমৰীয়াক শ্ৰীলংকাৰ কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰি ৰাখিছে আৰু তেওঁলোকক ভাৰতলৈ ওভতাই অনা উচিত। পাছত তেওঁ সদনৰ শূন্য কালতো এই বিষয়টো উত্থাপন কৰে। ০০০

০০০০০

এন ডি এৰ বিহাৰৰ সাংসদসকলে আজি সংসদ ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। বিজেপি, জে ডি ইউ (আৰ) এল জে পি (আৰ) ৰ সাংসদকলে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিং, ৰাজীৱ ৰঞ্জন সিং আৰু চিৰাগ পাচোৱান এই সাক্ষাৎকালত সাসংসদসকলৰ সৈতে উপস্থিত থাকে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিহাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান ঘোষণা কৰাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীক সাংসদসকলে সাক্ষাৎ কৰে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে যোৱা বছৰৰ শেষলৈকে ই-নাম প'ৰ্টেলত ৪৩০০ৰো অধিক কৃষি উৎপাদন সংস্থাই পঞ্জীয়ন কৰিছে। তেওঁ লগতে কয় যে কৃষি উৎপাদন সংস্থাৰ ৪ কোটি ৮০ লাখৰো অধিক কৃষকক ২৪৯ কোটি টকাৰ ধনৰাশি বিতৰণ কৰা হৈছে। ৰাজ্যসভাৰ প্ৰশ্ন কালত আজি এটা প্ৰশ্নৰ উত্তৰ দি কৃষি মন্ত্ৰীগৰাকীয়ে দেশত বৰ্তমানলৈকে ১০ হাজাৰ কৃষি উৎপাদন সংস্থা গঠন কৰা হৈছে বুলি প্ৰকাশ কৰে। দেশৰ এহেজাৰ ৪০০ৰো অধিক বজাৰে ই-নাম পৰ্টেলত পঞ্জীয়ন কৰাৰ কথা উল্লেখ কৰি কৃষি মন্ত্ৰীগৰাকীয়ে কয় যে এই পৰ্টেলৰ জৰিয়তে কৃষকসকলে ঘৰত থাকিয়েই নিজৰ কৃষি ভূমিৰ এখন সম্পূৰ্ণ ফটো আপলোড কৰি এটা তুলনামূলক মূল্যৰ হিচাপ পাব পাৰে। শ্ৰীচৌহানে লগতে কয় যে ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে আন্তঃৰাজ্যিক ব্যৱসায়ৰ বাবে ই-নাম পৰ্টেলত যোগদান কৰিছে আৰু এতিয়ালৈকে আন্তঃৰাজ্যিক বাণিজ্যৰ অধীনত কৃষকসকলক প্ৰায় ৬ হাজাৰ কোটি টকা বিতৰণ কৰা হৈছে।

০০০০০

উপভোক্তা মন্ত্ৰ্যালয়ে ওজৰ আপত্তিসমূহৰ ক্ষেত্ৰভিত্তিক পৰ্যালোচনাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাযুক্ত এটা ৰাষ্ট্ৰীয় উপভোক্তা হেল্প লাইন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে। আপত্তিসমূহ জনসাধাৰণে ১-৯, ১-৫ ট'লফ্ৰী নম্বৰ অথবা **Consumer.com.in** ৱেবছাইটযোগে অৱগত কৰিব পাৰিব। উপভোক্তাসকলে তেওঁলোকৰ ওজৰ আপত্তিসমূহ বিশেষকৈ শিক্ষাৰ লগত জড়িত আপত্তিসমূহ উপযুক্তভাৱে আৰু খৰতকীয়াভাৱে সমাধান কৰাৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰ্যালয়ে নতুন প্ৰযুক্তিৰ সহায়ত এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ ন্যাসৰ ন্যসৰক্ষী কামেশ্বৰ চৌপালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে ৰামভক্ত চৌপালে অযোধ্যাত ৰামমন্দিৰ নিৰ্মাণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে দলিত সম্প্ৰদায়ৰ পৰা অহা চৌপালক সমাজৰ বঞ্চিত শ্ৰেণীৰ কল্যানৰ বাবে আগবঢ়োৱা কাম-কাজত সদায়েই মনত ৰখা হ'ব বুলি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে এই দুখৰ সময়ত পৰিয়ালবৰ্গৰ লগতে তেওঁৰ অনুগামীসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীৰে আজি কৰ্ণাটকৰ ৰানেবেন্নুৰলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত উপ ৰাষ্ট্ৰপতিগৰাকী ৰানেবেন্নুৰত অনুষ্ঠিত কৰ্ণাটক বৈভভ সাহিত্য আৰু সংস্কৃতি মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

ভাৰতে বাংলাদেশত প্ৰতিবাদকাৰীয়ে বংগবন্ধু শ্বেখ মজিবুৰ ৰহমানৰ বাসগৃহ ধ্বংস কৰা ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়শোৱালে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে স্বাধীন বাংলাদেশৰ ইতিহাসৰ চিহ্নস্বৰূপ এই ঐতিহাসিক ভৱন ধবংস কৰি পেলোৱাটো সঁচাকৈয়ে অতি দুখৰ বিষয়। তেওঁ কয় যে বাংলা পৰিচয় আৰু গৌৰৱক সমৃদ্ধ কৰা স্বাধীনতা সংগ্ৰামৰ মূল্যবোধৰ সৈতে পৰিচিত প্ৰতিগৰাকী ব্যক্তিয়েই বাংলাদেশৰ জাতীয় চেতনাৰ সৈতে জড়িত এই বাসগৃহৰ গুৰুত্বৰ বিষয়ে ভালকৈয়ে জানে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বাংলাদেশৰ ৰাজধানী ঢাকাত যোৱা বুধবাৰে নিশা একাংশ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ উপস্থিতিতে বুলড'জাৰৰ সহায়ত বংগবন্ধু স্মাৰক সংগ্ৰহালয় ভাঙি পেলায়। বাংলাদেশৰ জনক তথা দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ পিতৃ বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ এই বাসভৱনটোক পৰৱৰ্তীকালত সংগ্ৰহালয়ৰূপে চিহ্নিত কৰা হৈছিল। উল্লেখযোগ্য যে ১৯৭৫ চনৰ ১৫ আগষ্টত দেশখনত সামৰিক বাহিনীৰ একাংশই চলোৱা সামৰিক অভ্যুত্থানৰ সময়ত তেতিয়াৰ দেশখনৰ ৰাষ্ট্ৰপতি শ্বেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ প্ৰায়সকল সদস্য ধানমণ্ডিৰ এই বাসভৱনতে আততায়ীৰ গুলীৰ আঘাতত নিহত হৈছিল।

০০০০০০

কাইলৈ হ'বলগীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পুৱা ৮ বজাত ভোট গণনা আৰম্ভ হ'ব। প্ৰথমে প'ষ্টেল বেলটসমূহ গণনা কৰা হ'ব। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়া আৰ এলিছ ৰাজে প্ৰকাশ কৰা অনুসৰি ভোটগণনাৰ বাবে দিল্লীৰ ১১ খন জিলাত ১৯টা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ বাবে প্ৰায় ৫ হাজাৰ বিষয়া কৰ্মচাৰী নিয়োগ কৰা হৈছে। নিৰ্বাচন আয়োগে www.eci.gov.in ৱেব ছাইটৰ জৰিয়তে সঠিক আৰু সবিশেষভাৱে ভোটগণনাৰ ফলাফল প্ৰকাশ কৰাৰ বাবে অতি সুৰক্ষিত আৰু প্ৰমাণিত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰ্যালয়ে আজি সন্ধিয়া প্ৰয়াগৰাজৰ মহাকুম্ভত এটা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট শিল্পীসকলে এই অনুষ্ঠানত গীত-নৃত্য আৰু বিভিন্ন কলা পৰিবেশন কৰিব। ওডিচি নৃত্য শিল্পী চ'নাল মানসিং আৰু ডনা গাংগুলী, বিশিষ্ট গায়ক হৰিহৰণ, সুৰেশ ৱাডকাৰ, কবিতা কৃষ্ণমূৰ্তীকে ধৰি প্ৰসিদ্ধ শিল্পীসকলে অনুষ্ঠান পৰিবেশন কৰিব। এইবাৰৰ মহাকুম্ভ কেৱল ভক্তি আৰু বিশ্বাসৰ মহোৎসৱেই নহয় বৰং ভাৰতীয় সাহিত্য আৰু সংস্কৃতিৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চ হিচাপেও বিবেচিত হৈছে। গংগা পণ্ডলত হ'বলগীয়া আজিৰ সাংস্কৃতিক অনুষ্ঠানত দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰাক প্ৰদৰ্শন কৰা হ'ব।

oooo

চেন্নাই অপেন ছেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত আজি দুটা ভাৰতীয় যুটি ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব। ইয়াৰে প্ৰথমখন ছেমিফাইনেলত চাকেট মাইনেনি আৰু ৰাম কুমাৰ ৰামানাথনৰ যুটিটো টাইৱানৰ ৰে হ' আৰু অষ্ট্ৰেলিয়াৰ মেথিও ক্ৰিষ্টফাৰ ৰ'মিঅ'জৰ যুটিৰ মুখামুখি হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আনখন ছেমি ফাইনেলত জীৱন নেডুনছেজিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তৰ যুটিয়ে জাপানৰ চিন্তাৰ' মুছিজুকী আৰু কাইট ৰেছুগীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। অৱশ্যে ভাৰতৰ সিদ্ধান্ত বন্থীয়া আৰু পৰীক্ষীত চুমানীৰ যুটিটো ৰ'মিঅ'জ আৰু হ'ৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত ৭-৬, ৭-৬ ব্যৱধানত পৰাস্ত হয়।

oooo